**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-03-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অসামৰিক সেৱাৰ বিষয়াসকলক শেহতীয়া প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি হিচাপে পুনৰ নিৰ্বাচিত হোৱাৰ বাবে ভ্লাদিমিৰ পুটিনক অভিনন্দন জনাইছে।

৩। উচ্চতম ন্যায়ালয়ে ভাৰতীয় ষ্টেট বেংকক বৃহস্পতিবাৰৰ ভিতৰত নিৰ্বাচনী বণ্ড সম্পৰ্কীয় সকলো তথ্য প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিছে।

৪। কলকাতাত এটা নিৰ্মীয়মান ভৱন খহি পৰাৰ ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ১০ জনলৈ বৃদ্ধি পাইছে।

**আৰু**

৫। ছুইজাৰলেণ্ডৰ বেছেলত আজিৰে পৰা ছুইছ অপেন ছুপাৰ থ্ৰী হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অসামৰিক সেৱাৰ বিষয়াসকলক এক দক্ষ প্ৰশাসনৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা , ব্লকচেইন আৰু বিগ ডাটা এনালাইটিক্সৰ দৰে শেহতীয়া প্ৰযুক্তিৰ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে চহকী আৰু বৈচিত্ৰ্যময় অভিজ্ঞতাৰ সৈতে নতুন ধাৰণা আৰু নতুন প্ৰযুক্তিৰ অভিসৰণে কি ধৰণৰ প্ৰভাৱশালী পৰিৱৰ্তন আনিব পাৰে , সেয়া কল্পনাও কৰিব পৰা নাযায়। ৰাষ্ট্ৰপতিগৰাকীয়ে মুছৌৰীৰ লাল বাহাদুৰ শাস্ত্ৰী ৰাষ্ট্ৰীয় প্ৰশাসন একাডেমীৰ ১২৫ সংখ্যক প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা ৰাজ্যিক অসামৰিক সেৱাৰ বিষয়াসকলক সম্বোধন কৰি ৰাষ্ট্ৰপতি ভৱনত কালি এইদৰে প্ৰকাশ কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে বিষয়াসকলে যিকোনো উন্নয়নমূলক কাম হাতত লওঁতে সদায় বহনক্ষমতাৰ কথা মনত ৰাখিব লাগে। তেওঁ কয় যে বিশ্বই গোলকীয় উষ্ণতা বৃদ্ধি আৰু জলবায়ু পৰিৱৰ্তনৰ দৰে ভাবুকিৰ সন্মুখীন হোৱা বাবে তেওঁলোকে পৰিৱেশৰ সৈতে অনুকূল পদ্ধতি ল 'বলৈ উদ্ভাৱনীমূলক ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজন।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি হিচাপে পুনৰ নিৰ্বাচিত হোৱাৰ বাবে ভ্লাদিমিৰ পুটিনক অভিনন্দন জনাইছে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত শ্ৰীমোদীয়ে কৈছে যে, আহিবলগীয়া সময়ত

ভাৰত আৰু ৰাছিয়াৰ মাজৰ বিশেষ ৰাজনৈতিক কৌশলগত অংশীদাৰিত্ব আৰু অধিক শক্তিশালী কৰাৰ বাবে শ্ৰীপুটিনৰ সৈতে কাম কৰি যাবৰ বাবে তেওঁ আগ্ৰহী।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰী লয়ড অষ্টিনৰ সৈতে টেলিফোনৰ জৰিয়তে বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ছোৱাত মন্ত্ৰী দুয়োগৰাকীয়ে দ্বিপাক্ষিক আৰু আঞ্চলিক সুৰক্ষা সম্পৰ্কীয় বিভিন্ন বিষয়ৰ লগতে প্ৰতিৰক্ষা সহযোগিতা সম্পৰ্কেও মত বিনিময় কৰে। মন্ত্ৰী দুয়োগৰাকীয়ে নতুন দিল্লীত যোৱা মাহত সম্পন্ন হোৱা ইণ্ডাছ এক্স দ্বিপাক্ষিক সন্মিলন তথা সেনা বাহিনীৰ তিনিওটা শাখাৰ টাইগাৰ ট্ৰাম্প শীৰ্ষক দ্বিপাক্ষিক কাৰ্যসূচীৰ বিষয়েও আলোচনা কৰে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ভাৰত মহাসাগৰ অঞ্চলত ভাৰতৰ নৌসেনা বাহিনীৰ ভূমিকাক প্ৰশংসা কৰে। মন্ত্ৰী দুয়োগৰাকীয়ে বিগত বৰ্ষত সম্পন্ন হোৱা উভয় দেশৰ প্ৰতিৰক্ষা সহযোগিতা ৰোড মেপ ৰূপায়ণ কৰাৰ বিভিন্ন পদ্ধতি আৰু উপায়ৰ বিষয়ে আলোচনা কৰে। বাৰ্তালাপৰ সময়ছোৱাত ভাৰতৰ নৌঘাটিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ যুদ্ধ জাহাজৰ মেৰামতিৰ লেখীয়া প্ৰতিৰক্ষা ঔদ্যোগিক সহযোগিতা সম্পৰ্কীয় বিষয়সমূহো আলোচনা কৰা হয়।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি এছিয় বিকাশ বেংকৰ উপাধ্যক্ষ ভাৰ্গৱ দাস গুপ্তাক সাক্ষাৎ কৰে। বৈঠকত এছিয় বিকাশ বেংকে উন্নয়নমূলক কামকাজ সমূহক আগুৱাই লৈ যাবৰ বাবে ভাৰতৰ সৈতে অংশীদাৰিত্ব সন্দৰ্ভত মত বিনিময় কৰা হয়। বৈঠকত ভাৰতৰ বিকাশৰ ক্ষেত্ৰত আন ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ সংস্থাসমূহক অন্তৰ্ভুক্ত কৰাৰ বাবে এছিয় বিকাশ বেংকৰ সহায় ল'ব পৰা যায় সেই সন্দৰ্ভতো আলোচনা কৰা হয়।

০০০০০

নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু ড০ সুখবীৰ সিং সান্ধুৱে কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। উল্লেখযোগ্য যে শ্ৰীকুমাৰ আৰু ড০ সান্ধুৱে যোৱা সপ্তাহত নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি লাভ কৰিছে।

০০০০০

পশ্চিমবংগৰ কলকাতাৰ গাৰ্ডেন ৰীচ অঞ্চলত এটা নিৰ্মীয়মান ভৱন খহি পৰাৰ ঘটনাত নিহত লোকৰ সংখ্যা দহলৈ বৃদ্ধি পাইছে। ঘটনাত অন্য ভালেমান লোক ধ্বংসস্তূপত আবদ্ধ হৈ থকাৰ আশংকা কৰা হৈছে। এই দুৰ্ভাগ্যজনক ঘটনাৰ পাছত এতিয়াও উদ্ধাৰকাৰ্য অব্যাহত থকাৰ বাতৰি পোৱা গৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু ৰাজ্যপাল ড০ চি ভি আনন্দ বসুৱে ইতিমধ্যে ঘটনাস্থলী পৰিদৰ্শন কৰিছে। নিৰ্মাণকাৰ্য আৰম্ভ হোৱাৰ পূৰ্বে পুতি পেলোৱা এটা পুখুৰীৰ স্থানত ভৱনটো নিৰ্মাণ কৰি থকা হৈছিল বুলি অভিযোগ উত্থাপিত হৈছে।

০০০০০

ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে মেঘালয় চৰকাৰৰ পৰিকল্পনা , বিনিয়োগ প্ৰসাৰ আৰু বহনক্ষম উন্নয়ন বিভাগৰ সহযোগত কালি শ্বিলঙত ডিজিটীয় ভাৰত উত্তৰ - পূব আঞ্চলিক কৰ্মশালাৰ আয়োজন কৰে।

কৰ্মশালাত মেঘালয় চৰকাৰে ডিজিটীয় ৰূপান্তৰৰ জৰিয়তে লাভ কৰা কৰ্মদক্ষতাৰ বিষয়ে প্ৰকাশ কৰে। ডিজিটীয় পদ্ধতিৰ সহায়ত ৰাজ্যখনত যোৱা বছৰৰ তুলনাত ৩৬

শতাংশ দ্ৰুতগতিত আঁচনিসমূহৰ অনুমোদন কৰা হৈছে। কৰ্মশালাত মন্ত্ৰালয়ৰ সচিব এছ কৃষ্ণনে কয় যে মেঘালয়ে ৰাষ্ট্ৰসংঘৰ বঁটা লাভ কৰি সঁচাকৈয়ে সমগ্ৰ ৰাষ্ট্ৰক গৌৰৱান্বিত কৰিছে। মেঘালয় চৰকাৰৰ মুখ্য সচিব তথা ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া ড 'নাল্ড পি ৱাহলাঙে আভ্যন্তৰীণ প্ৰক্ৰিয়াত দক্ষতা বৃদ্ধিৰ বাবে চৰকাৰী ব্যয় প্ৰায় ৩ গুণ বৃদ্ধি পোৱা বুলি প্ৰকাশ কৰে।

কৰ্মশালাত সহযোগিতা, চাহৰ সৈতে জড়িত কাম আৰু ডিজিটীয় প্ৰযুক্তিৰ জৰিয়তে হোৱা লাভৰ জৰিয়তে মেঘালয়ে অৰ্জন কৰা কৃতিত্বৰ বিষয়েও উপস্থাপন কৰা হয়।

০০০০০

বুলগেৰিয়াৰ ৰাষ্ট্ৰপতি ৰুমেন ৰাদেৱে দেশখনৰ এম ভি ৰুয়েন নামৰ অপহৃত জাহাজখন উদ্ধাৰ কৰাৰ বাবে ভাৰতীয় নৌসেনাই চলোৱা সফল উদ্ধাৰ অভিযানৰ বাবে নেতাগৰাকীয়ে ভাৰতীয় নৌসেনাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত বুলগেৰিয়াৰ ৭জন নাগৰিককে ধৰি জাহাজখনত কাম কৰা কৰ্মচাৰীসকলক উদ্ধাৰ কৰাৰ বাবে শ্ৰীৰাদেৱে ভাৰতীয় নৌসেনাক ধন্যবাদ জ্ঞাপন কৰিছে। ইয়াৰ পূৰ্বে বুলগেৰিয়াৰ বিদেশ মন্ত্ৰী মাৰিয়া গেব্ৰিয়েলে দেশখনত থকা ভাৰতৰ ৰাষ্ট্ৰদূত সঞ্জয় ৰাণাৰ সৈতে মত বিনিময় কৰে আৰু দেশখনৰ নাগৰিকসকলক উদ্ধাৰ কৰাৰ বাবে শ্ৰীৰাণাক ধন্যবাদ জ্ঞাপন কৰে। জাহাজৰ সকলো কৰ্মচাৰীয়ে বৰ্তমান সুস্থ আৰু তেওঁলোকে যাতে সময়মতে বুলগেৰিয়ালৈ ঘূৰি যাব পাৰে তাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে।

উল্লেখযোগ্য যে বুলগেৰিয়াৰ ৭জন, ম্যানমাৰৰ ৯জন আৰু আংগোলাৰ এজন নাগৰিক কঢ়িয়াই নিয়া এম ভি ৰুয়েন জাহাজখনক যোৱা বছৰ ডিচেম্বৰ মাহত ছ'ক'ট্ৰাৰ য়েমেনি দ্বীপৰ সমীপৰ আৰব সাগৰত সামুদ্ৰিক ডকাইতে অপৰহণ কৰিছিল। ভাৰতীয় নৌসেনাৰ সূত্ৰই জনোৱা মতে চল্লিছ ঘণ্টা ধৰি চলা এই অভিযানত আই এন এছ কলকাতাক ভাৰতৰ যুদ্ধ জাহাজ আই এন এছ সুভদ্ৰায়ো যথেষ্ট সহায় কৰিছিল।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা- প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ আজি অন্তিম দিন।

০০০০০

ছুইজাৰলেণ্ডৰ বাছেলত আজিৰে পৰা ছুইছ অপেন ছুপাৰ থ্ৰী হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাৰ ২০২৪ চনৰ সংস্কৰণ আৰম্ভ হ'ব। পুৰুষৰ ছিংগলছ শাখাত সপ্তম বাছনিৰ ভাৰতৰ লক্ষ্য সেনে ৰাউণ্ড থাৰ্টি ট্যুত মালয়ছিয়াৰ লিয়ং জুন হাওৰ বিৰুদ্ধে খেলিব। ইপিনে কিদাম্বী শ্ৰীকান্তে টাইৱানৰ ৱাং টু জু ৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মহিলাৰ ছিংগলছ শাখাত চতুৰ্থ বাছনিৰ বাবে পি ভি সিন্ধুৱে জাৰ্মানীৰ য়ব'ন লীৰ বিৰুদ্ধে খেলিব। আনহাতে মহিলাৰ ডালবছ শাখাত ষষ্ঠ বাছনিৰ অশ্বিনী পোনাপ্পা আৰু তানিষা ক্ৰাষ্টোৰ যুটীটোৱে ইন্দোনেছিয়াৰ মেইলিছা ট্ৰায়ছ পুষ্পিতাচাৰী আৰু ৰাছেল এলেছ্যা ৰোজৰ বিৰুদ্ধে খেলিব। তৃষা

জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটোৱে আমেৰিকা যুক্তৰাষ্ট্ৰ এনি জু আৰু কেৰি জুৰ বিৰুদ্ধে খেলিব। অহা ২৪ মাৰ্চত এই প্ৰতিযোগিতাৰ সাৰমণি পৰিব।

০০০০০

মিয়ামি অপেন টেনিছ প্ৰতিযোগিতাত ভাৰতৰ তাৰকা খেলুৱৈ সুমিত নাগলে পুৰুষৰ ছিংগল শাখাৰ ৰাউণ্ড অফ 64ৰলৈ উন্নীত হৈছে। কোৱালিফায়িং ৰাউণ্ডত কালি নাগলে কানাডাৰ গেব্ৰিয়েল ডিয়ালোক ৭-৬, ৬-২ পোনপটীয়া ছেটত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ খেলাৰ যোগ্যতা অৰ্জন কৰে। ৰাউণ্ড অফ 64ৰ খেলসমূহ অহা শুকুৰবাৰৰ পৰা আৰম্ভ হ'ব।

০০০০০

আফগানিস্তানে নিজৰ ভূখণ্ডত পাকিস্তানৰ আক্ৰমণত কমেও ৮ জন লোকৰ মৃত্যু হোৱাৰ অভিযোগ উত্থাপন কৰিছে। কালি পুৱতি নিশা পাকিস্তানে আফগানিস্তানৰ ভূ-খণ্ডত আকাশী পথেৰে আক্ৰমণ চলায়। যোৱা শনিবাৰে উত্তৰ ৱাজিৰিস্তান অঞ্চলৰ থাইবাৰ পখতুনখোৱাত সংঘটিত আক্ৰমণত ৭জন পাকিস্তানী সৈন্য নিহত হোৱাৰ পাছতে এই আক্ৰমণ সংঘটিত হৈছে।

সংবাদ মাধ্যমৰ বাতৰি অনুসৰি নিশাৰ অভিযানৰ পিছত কালি ইছলামাবাদ আৰু কাবুলৰ মাজত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়।

ইপিনে পাকিস্তানে চোৰাংচোৱাৰ খবৰৰ ভিত্তিত আফগানিস্তানত সন্ত্ৰাসবাদ বিৰোধী অভিযান চলোৱাৰ কথা স্বীকাৰ কৰিছে। পাকিস্তানে কয় যে এই আক্ৰমণত সীমান্ত অঞ্চলত লুকাই থকা সশস্ত্ৰ সংগঠনসমূহক লক্ষ্য কৰি লোৱা হৈছিল।

২০২১ চনত তালিবানে পুনৰ নিয়ন্ত্ৰণ কৰাৰ পাছৰে পৰা আফগানিস্তান আৰু পাকিস্তানৰ মাজত উত্তেজনা বৃদ্ধি পাইছে।

০০০০০

সমাপ্ত